অধ্যায় ৫ ঃ প্রাক্-শংকৰী যুগৰ অসমীয়া সাহিত্য

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ প্রাক্-শংকৰী যুগ

৫.৩.১ হেম সৰস্বতী

৫.৩.২ কবিৰত্ন সৰস্বতী

৫.৩.৩ ৰুদ্র কন্দলী

৫.৩.৪ হৰিবৰ বিপ্র

৫.৩.৫ মাধৱ কন্দলী

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্রগতিৰ খতিয়ান

৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাক্-শংকৰী যুগৰ কবিসকলৰ লগত পৰিচিত হৈ সেই কবিসকলৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- এই যুগত কোন কবিয়ে কি কি কাব্য ৰচনা কৰিলে সেই বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- এই যুগত ৰচিত কাব্যৰাজিৰ বিশেষত্ব সম্পর্কে অৱগত হ'ব
- অসমীয়া সাহিত্যৰ কোনখিনি সময়ক প্রাক্-শংকৰী যুগৰ সাহিত্য বুলি কোৱা হয় সেয়া নির্ণয় কৰিব পাৰিব।

৫.২ পৰিচয়

উদ্ভৱ কালৰ অসমীয়া সাহিত্যৰ পাছতে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ মধ্য যুগ আৰম্ভ হৈছে। মধ্যযুগীয় অসমীয়া সাহিত্যক— 'প্রাক্-শংকৰী যুগ', 'শংকৰী যুগ' আৰু 'শংকৰোত্তৰ যুগ' নামেৰে তিনি ভাগত ভগাব পাৰি। এই অধ্যায়ত প্রাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে আলোচনা কৰা হ'ব।

প্রাক্-শংকৰী যুগটো মূলতঃ কাব্য সাহিত্যৰ যুগ। এই যুগত হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্র কন্দলী, হৰিবৰ বিপ্র আৰু মাধৱ কন্দলী— এই পাঁচগৰাকীৰ কবিৰ আৱির্ভাৱ

হৈছিল। এইকেইগৰাকী কবিয়ে *ৰামায়ণ, মহাভাৰত* আদিৰ বিষয়বস্তুক লৈ ভালেখিনি কাব্য ৰচনা কৰিছে। তেওঁলোকে ৰচনা কৰা কাব্যখিনিক লৈয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰাক্-শংকৰী যুগটোৰ সৃষ্টি হৈছে। এই অধ্যায়টিত প্ৰাক্-শংকৰী যুগৰ কবি আৰু তেওঁলোকৰ দ্বাৰা ৰচিত কাব্যৰাজিৰ বিষয়ে আলোচনা কৰা হ'ব।

৫.৩ প্ৰাক্-শংকৰী যুগ

চতুৰ্দশ শতিকাৰ আৰম্ভণিৰপৰা পঞ্চদশ শতিকাৰ শেষলৈকে (১৩০০-১৪৯০) এই সময়ছোৱাত ৰচিত অসমীয়া সাহিত্যখিনিক প্ৰাক্-শংকৰী যুগৰ সাহিত্য বুলি কোৱা হয়। এই যুগৰ কবিসকলে কমতাপুৰৰ মহামাণিক্য, দুৰ্লভনাৰায়ণ, তাম্ৰধ্বজ আদি ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য ৰচনা কৰা বুলি আত্মপৰিচয়ত উল্লেখ কৰি গৈছে। উল্লিখিত ৰজাসকলৰ সময়সীমা আছিল চতুৰ্দশ-পঞ্চদশ শতিকা। প্ৰাক্-শংকৰী যুগৰ কবিসকল আৰু তেওঁলোকৰ সাহিত্য-কৃতিৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

৫.৩.১ হেম সৰস্বতী

প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত হেম সৰস্বতী অন্যতম। এওঁ *প্ৰহ্লাদ চৰিত্ৰ* আৰু *হৰগৌৰী-সংবাদ* নামৰ দুখন পদপুথি ৰচনা কৰে। কবিয়ে *প্ৰহ্লাদ চৰিত্ৰত* আত্মপৰিচয় দিয়াৰ প্ৰসংগত লিখিছে —

কমতামণ্ডল দুৰ্লভনাৰায়ণ নৃপবৰ অনুপাম।
তাহান ৰাজ্যত ৰুদ্ৰসৰস্বতী দেৱযানী কন্যা নাম।।
তাহান তনয় হেম সৰস্বতী ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহো প্ৰচাৰ কৰিলা ***বামন পুৰাণ*** চাই।।

প্ৰহ্লাদ চৰিত্ৰত দিয়া আত্মপৰিচয়ৰ পৰা জানিব পাৰি যে কমতাপুৰৰ ৰজা দুৰ্লভনাৰায়ণৰ দিনত ৰুদ্ৰ সৰস্বতী-দেৱযানীৰ পুত্ৰ আৰু ধ্ৰুৱৰ ভায়েক হেম সৰস্বতীয়ে *বামন পুৰাণ* চাই *প্ৰহ্লাদ চৰিত্ৰ* ৰচনা কৰে। কবিৰ আন এখন কাব্য *হৰগৌৰী-সংবাদত* তেওঁৰ আন নাম হেমন্ত আৰু পিতাকক 'সৰ্ব্বশাস্ত্ৰে পণ্ডিত সুজান' বুলি কৈছে। ওপৰৰ এই ভণিতাত দৰাচলতে হেম সৰস্বতী ৰুদ্ৰ সৰস্বতীৰ সন্তান নে দেৱযানীৰ, এইটো স্পষ্ট নহয়। দেৱযানী যদি ৰুদ্ৰ সৰস্বতীৰ কন্যা, তেন্তে হেম সৰস্বতী আৰু ধ্ৰুৱ— ৰুদ্ৰ সৰস্বতীৰ নাতিহে। কিন্তু হেম সৰস্বতীৰ *হৰগৌৰী-সংবাদ* নামৰ অপ্ৰকাশিত গ্ৰন্থৰ ভণিতাত এনেদৰে পোৱা যায়—

ভূপ দুৰ্লভনাৰায়ণ পাত্ৰপশুপতিসুত সৰ্ব্বশাস্ত্ৰে পণ্ডিত সুজান।
তাহাৰ তনয় চাৰি ধনঞ্জয় আদি কৰি ধ্ৰুৱ ভৈল কুলত প্ৰধান।
অপৰ হেমন্ত কবি হৰগৌৰী পদ সেৱি হেম সৰস্বতী ভৈল নাম।।

বামন পুৰাণ ঃ প্ৰাচীন ভাৰতীয় সাহিত্যৰ ভিতৰত পুৰাণসমূহ প্ৰধান। বেদৰ পিছতেই পুৰাণৰ স্থান নিৰ্ণয় কৰা হৈছে। 'পুৰাণ' শব্দটোৰ অৰ্থ হ'ল— আদিম আখ্যান বা পুৰণি কাহিনী। এনে পুৰাণৰ সংখ্যা ওঠৰখন। এই ওঠৰখন পুৰাণৰ ভিতৰত *বামন পুৰাণ* অন্যতম। *বামন পুৰাণত* বিষ্ণুৰ বামন অৱতাৰৰ কথা বৰ্ণনা কৰা হৈছে।

উদ্ধৃতি অনুসাৰে আমি গম পাব পাৰোঁ যে পশুপতি পাত্ৰৰ নাতি চাৰিজন; ধ্ৰুৱ তাৰে প্ৰধান। আনহাতে হেম সৰস্বতীৰ আন এটা নাম হেমন্ত। সত্যেন্দ্ৰনাথ শৰ্মাই এই ভণিতাফাকি বিশ্লেষণ কৰি মত প্ৰকাশ কৰিছে যে "পশুপতি পাত্ৰৰ পুত্ৰ সম্ভৱতঃ ৰুদ্ৰ সৰস্বতী। 'ৰুদ্ৰ আৰু পশুপতি' সমাৰ্থক শব্দ। গতিকে 'পাত্ৰপশুপতিসুত' ব্যাকাংশই ৰুদ্ৰ সৰস্বতীক উল্লেখ কৰিছে নে হেম সৰস্বতীয়ে নিজকে উল্লেখ কৰিছে সেইটো বুজা কঠিন হৈ পৰিছে।"

- *প্ৰহ্লাদ চৰিত্ৰ ঃ* হেম সৰস্বতীয়ে বামন পু�ৰাণ চাই এশটা পদত *প্ৰহ্লাদ চৰিত্ৰ* নামে এখনি কাব্য ৰচনা কৰে। ই এখনি সৰু বৰ্ণনাত্মক কাব্য। দানৱৰাজ হিৰণ্যকশিপুৰে পুতেক প্ৰহ্লাদক বিষ্ণুভক্তি আচৰণ কৰা কাৰণে কৰা উৎপীড়ন আৰু শেষত নৰসিংহৰূপী বিষ্ণুৰ হাতত হিৰণ্যকশিপু বধৰ বিৱৰণ পোৱা যায়। কিন্তু বৰ্তমানে প্ৰাপ্ত আৰু প্ৰকাশিত *বামন পু�ৰাণত* কাহিনীটোৰ এই অংশ এনেধৰণে নাই। সম্ভৱতঃ হেম সৰস্বতীৰ সময়ত কামৰূপত *বামন পুৰাণৰ* অন্য এক ৰূপ প্ৰচলিত আছিল। পণ্ডিতসকলৰ মতে *বামন পুৰাণ* নামে এখন মহাপুৰাণ কিছুকাল আগতে লুপ্ত হৈ গৈছে। সম্ভৱতঃ সেই লুপ্ত মহাপুৰাণৰ পৰাই কবিয়ে বিষয়বস্তু গ্ৰহণ কৰিছে।

  প্ৰহ্লাদৰ ওপৰত পিতৃৰ অত্যাচাৰ আৰু নৰসিংহৰ হাতত হিৰণ্যকশিপুৰ মৃত্যু— এয়াই কাব্যখনৰ মূল কথাবস্তু। কাব্যখনৰ বৰ্ণনা ৰসাল নহয়। গতানুগতিক ছন্দেৰে লিখা ভাষাও বৰ উৎকৃষ্ট নহয় বুলি বিভিন্ন সমালোচকে মত পোষণ কৰিছে। তথাপি উল্লেখযোগ্য যে তেওঁৰ লেখাত ঘৰুৱা চিনাকী উপমা, পটন্তৰৰ প্ৰয়োগ আছে। যেনে—

  উপমা ঃ ক্ৰোধিলেক ৰাজাএ পুত্ৰৰ শুনি বানী।
  তুলাত লাগিল যেন প্ৰচণ্ড অগনি।।

  পটন্তৰ ঃ (ক) দন্ত ভাংগা সৰ্পৰ ফেফোনি মাত্ৰ সাৰ।
  (খ) মোহৰ বংশত উপজিল ধুমকেতু।

  বৰ্ণনাৰ অতিৰঞ্জন ঃ (ক) একো একো হস্তী জেন পৰ্বত সদৃশ।
  (খ) একো একো সৰ্পক দেখন্তে ভয়ংকৰ।
  ফনাত্ৰ লংঘিল জেন মেঘ আকাশৰ।।

  কাব্যখনত বিষ্ণুভক্তিৰ মাহাত্ম্য আৰু তত্ত্বমূলক উপদেশ আছে। মন কৰিবলগীয়া যে তেওঁ অসু�ৰৰ শাস্ত্ৰক বামানয় আখ্যা দিছে আৰু 'হস্তী সাধামন্ত্ৰ'ৰ উল্লেখ কৰিছে। তেওঁ বিষ্ণু নাৰায়ণক প্ৰণতি জনাইছে আৰু বামানয় শাস্ত্ৰৰ উপাসকসকলৰ বিৰুদ্ধে বৈষ্ণৱ প্ৰহ্লাদৰ বিজয় কীৰ্ত্তন কৰিছে। সেয়েহে কালিৰাম মেধিয়ে *প্ৰহ্লাদ চৰিত্ৰক* বৈষ্ণৱ ধৰ্মৰ প্ৰথম অসমীয়া পুথি আখ্যা দিছে।

  অৱশ্যে *প্ৰহ্লাদ চৰিত্ৰত* কথকৰূপে কবিৰ বিশেষ প্ৰতিপত্তি দেখা পোৱা নাযায়। কাব্যখনত সূক্ষ্ম কলাবোধ আৰু সুদূৰ প্ৰসাৰী কল্পনাৰ পৰিচয় পোৱা

নাযায় যদিও পৰিস্থিতি আৰু ঘটনাৰ সৰল আৰু ঘৰুৱা চিনাকী পৰিৱেশৰ বিৱৰণ আছে।

- *হৰগৌৰী-সংবাদ ঃ হৰগৌৰী-সংবাদ* হেম সৰস্বতীৰ ভণিতাযুক্ত দ্বিতীয়খন পুথি। এইখন পুথি *প্ৰহ্লাদ চৰিত্ৰত*কৈ বহুগুণে ডাঙৰ। ইয়াত মুঠতে ৮৯৯ টা পদ আছে। *হৰগৌৰী-সংবাদত* নৰসিংহৰ হাতত হিৰণ্যকশিপু বধ, তাৰকাসুৰৰ অত্যাচাৰ, হৰৰ কোপত মদন ভস্ম, হৰগৌৰীৰ বিবাহ, কাৰ্ত্তিকৰ জন্ম আদি ঘটনা সন্নিৱিষ্ট হৈছে। পুথিখনত ছটা অধ্যায় সন্নিৱিষ্ট হৈছে। তাৰে প্ৰথম অধ্যাটিৰ বিষয়বস্তু *নৃসিংহ পুৰাণ*ৰ আৰু বাকী অধ্যায়কেইটিৰ বিষয়বস্তু *হৰগৌৰী-সংবাদ*ৰ পৰা চয়ন কৰা। অৰ্থাৎ প্ৰথম অধ্যায়ত নৃসিংহ পুৰাণৰ পৰা নৰসিংহৰূপী বিষ্ণুৰ হাতত হিৰণ্যকশিপু নিধনৰ বৰ্ণনা দিয়া হৈছে। দ্বিতীয়ৰ পৰা পঞ্চম অধ্যায়লৈ তাৰকাসুৰৰ যুদ্ধ, হৰৰ কোপাগ্নিত কামদেৱ ভস্ম, কাৰ্ত্তিক কুমাৰৰ জন্ম আৰু তাড়ক বধৰ কাহিনী বৰ্ণনা কৰা হৈছে। বিষয়বস্তু নিৰ্মাণৰ ক্ষেত্ৰত *কালিকা পুৰাণ*ৰ সৈতে থকা সাদৃশ্যৰ পৰা কবিয়ে এইখন গ্ৰন্থকে আধাৰ হিচাপে গ্ৰহণ কৰিছিল বুলি ভবাৰ থল আছে। সেয়ে মহেশ্বৰ নেওগে এইখন গ্ৰন্থৰ মূল 'কালিকা পুৰাণ'ৰ বাহিৰে আন একো নহয়গৈ বুলি মন্তব্য কৰিছে। আনহাতে এই অধ্যায়কেইটিত কালিদাসৰ *কুমাৰসম্ভৱ*ৰো প্ৰভাৱ সুস্পষ্ট। ষষ্ঠ অধ্যায়ত যোগ সাধনৰ বিৱৰণ দিয়া হৈছে।

হেম সৰস্বতীৰ এই পুথি দুখনৰ ভাষাত কামৰূপী উচ্চাৰণৰ আখৰ জোঁটনি, উড়িয়া শব্দৰূপ আৰু প্ৰাকৃত শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। যথা—

প্ৰাকৃত ঃ প্ৰহ্লাদ, জোজনি, মঞি, তম্ভে, ধাঞি আদি

উড়িয়া ঃ বুলন্ত, তাংক, ধংকামাৰি আদি

কামৰূপী ঃ পোতি (পতি), কোৰি (কৰি), ধোৰি (ধৰি), কুন (কোন), দামুদৰ (দামোদৰ) আদি। 'শ', 'ষ' আৰু 'স'ৰ ঠাইত 'খ'ও বহিছে। যেনে— বংখত (বংশত), বিখেখোত (বিশেষত) আদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) প্ৰাক্-শংকৰী যুগৰ সাহিত্য বুলি ক'লে— ১৩০০-১৪৯০ চনৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যৰাজিৰ কথা বুজা যায়।

(খ) প্ৰাক্-শংকৰী যুগটো মূলতঃ গদ্য সাহিত্যৰ যুগ।

(গ) প্ৰাক্-শংকৰী যুগৰ প্ৰধান কবি পাঁচজন ।

(ঘ) হেম সৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজন হ'ল কমতাৰাজ দুৰ্লভনাৰায়ণ।

(চ) *প্ৰহ্লাদ চৰিত* কাব্যখনৰ মূল হ'ল *বামন পুৰাণ*।

.....

৫.৩.২ কবিৰত্ন সৰস্বতী

প্রাক্-শংকৰী যুগৰ আন এজন কবি হ'ল কবিৰত্ন সৰস্বতী। কাব্যৰ মাজত আত্মপৰিচয়সূচক যিখিনি কথা তেওঁ লিখিছে, সিয়েই তেওঁৰ পৰিচয়ৰ প্রধান আৰু প্রামাণিক অৱলম্বন। তেওঁ লিখিছে—

নৃপ শিৰোমণি দেৱ মহামানী দুর্লভনাৰায়ণ ৰাজা।
নিতে পুত্রৱতে পালিলা সততে পৃথিৱীৰ যত প্রজা।।
তাহান তনয় ভৈল ধর্মময় ইন্দ্রনাৰায়ণ ৰাজা।
মহাবীৰ ধীৰ স্বভাৱে গম্ভীৰ নিতে কৃত হৰি সেৱ।।
নিজ বাহুবলে পাইলা অবিকলে অখণ্ড মহীমণ্ডলে।
যাত খাটে নমি সততে প্রণামি বিপক্ষ নৃপসকলে।।
যাত সর্বক্ষণ ইন্দ্রনাৰায়ণ বৰ দেন্ত সদাশিৱ।
হৌক নৱেশ্বৰ পাঞ্চ গৌৱেশ্বৰ পিতাপুত্র চিৰঞ্জীৱ।।
ছোটশিলা নাম আছে এক গ্রাম য'ত গ্রাম মধ্যে সাৰ।
আছিল তথাত জগত প্রখ্যাত চক্রপাণি শিকদাৰ।।
পটু নৰবৰ কায়স্থ প্রৱৰ ধর্মৱন্ত মহাযশী।
পণ্ডিত তিলক কুল প্রকাশক নিষ্কলংক যেন শশী।।
তাহান তনয় অতি শুভনয় কবিৰত্ন সৰস্বতী।
দ্রোণপর্ব পদ জয়দথ বধ কৌতুহলে নিগদতি।।

উদ্ধৃত পদৰ পৰা জনা যায়— ছোটশিলা নামৰ এখন প্রসিদ্ধ গাঁৱত (বৰপেটাৰ ওচৰৰ, বর্তমান সম্ভৱতঃ শিলা গাঁও) চক্রপাণি শিকদাৰ নামৰ এজন কায়স্থ লোক আছিল। তেওঁ পণ্ডিত, ধার্মিক আৰু মহাযশস্বী আছিল। তেওঁৰেই পুত্র কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্রোণপর্বৰপৰা কথাবস্তু লৈ *জয়দ্রথ বধ* ৰচনা কৰে। আকৌ জনা যায়, কাব্য ৰচনাৰ ক্ষেত্রত কবিৰত্ন সৰস্বতীয়ে কমতাৰ ৰজা দুর্লভনাৰায়ণৰ পুত্র ইন্দ্রনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছে। লগতে, 'হৌক নৱেশ্বৰ পাঞ্চ গৌৱেশ্বৰ পিতা-পুত্র চিৰঞ্জীৱ'— এই পদফাকিয়ে দুর্লভনাৰায়ণ আৰু তেওঁৰ পুত্র ইন্দ্রনাৰায়ণক বুজাইছে নে ইন্দ্রনাৰায়ণ আৰু তেওঁৰ কোনো পুত্রক বুজাইছে, এই কথা সঠিককৈ বুজা নাযায়। যদি দুর্লভনাৰায়ণ আৰু ইন্দ্রনাৰায়ণক নুবুজাই ইন্দ্রনাৰায়ণ আৰু তেওঁৰ পুত্রক বুজোৱা বুলি ধৰা হয়, তেনেহ'লে কবিৰ কাব্য ৰচনাৰ সময় কেইবছৰমান পিছুৱাই আহে। কিন্তু গুণাৱলীৰ উল্লেখ কৰি দুর্লভনাৰায়ণৰ বর্ণনা কৰিয়ে যিধৰণে দিছে তাৰ পৰা দুর্লভনাৰায়ণ আৰু তেওঁৰ পুত্র ইন্দ্রনাৰায়ণৰ কথাকেই কোৱা যেন লাগে। যুক্তিসাপেক্ষে দুর্লভনাৰায়ণৰ ৰাজত্বৰ সময় ত্রয়োদশ শতিকাৰ একেবাৰে শেষাংশ আৰু চতুর্দশ শতিকাৰ প্রথমাংশ। কাব্য ৰচনাৰ ক্ষেত্রত কবিয়ে ইন্দ্রনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰাৰ আগতে

হয়তো তেওঁ দুর্লভনাৰায়ণৰো সান্নিধ্য লাভ কৰিছিল। গতিকে ক'ব পৰা যায়— সম্ভৱতঃ হেম সৰস্বতীৰ অলপ পাছত, অর্থাৎ চতুর্দশ শতিকাৰ মধ্যভাগৰ ভিতৰত কবি�ৰত্ন সৰস্বতীয়ে কবি ৰূপে প্রতিষ্ঠা লাভ কৰিছিল। আন এটা প্রমাণৰ দ্বাৰাও এই সময়টো প্রমাণিত হয়। সেয়া হ'ল— কবিৰত্ন সৰস্বতী মহাপুৰুষ মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ সপ্তম উপৰিপুৰুষ। কালিৰাম মেধিৰ মতে ৰামচৰণ ঠাকুৰৰ জীৱনকাল ১৫২১-১৬০০ খ্রীষ্টাব্দ। এই জীৱন কালৰ মধ্যভাগৰ পৰা ছয় পুৰুষৰ জীৱন কাল হিচাপে মোটামুটি ২০০ বছৰ বাদ দিলেও কবিৰত্ন সৰস্বতীৰ জীৱনকাল ৰূপে চতুর্দশ শতিকাৰ প্রথমার্দ্ধত উপনীত হ'ব পৰা যায়।

- *জয়দ্রথ-বধ ঃ* কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্রোণপর্বৰ কাহিনীৰ আধাৰত *জয়দ্রথ-বধ* নামৰ কাব্যখনি ৰচনা কৰে। কুৰুক্ষেত্র যুদ্ধত অর্জুনৰ পুত্র অভিমন্যুক জয়দ্রথে অন্যায়ভাৱে বধ কৰিছিল। সেইবাবে অর্জুনে প্রতিজ্ঞা কৰিছিল, সূর্যাস্তৰ আগতে জয়দ্রথক বধ কৰিব। অভিমন্যু বধৰ প্রতিশোধ লোৱাৰ বাবে অর্জুনে কেনেকৈ জয়দ্রথক বধ কৰিলে সেই কাহিনীভাগ এই কাব্যখনিত বর্ণনা কৰা হৈছে। মূলৰ ঘটনাংশৰ বর্ণনাৰ মাজত কবিয়ে স্বকীয় কল্পনা আৰু উদ্ভাৰিকা শক্তিৰো পৰিচয় দিব পাৰিছে। ইয়াৰ সুন্দৰ নিদর্শন কৈলাস বর্ণনাখণ্ড। ইয়াত নানাবিধ ফল-ফুলেৰে জাতিষ্কাৰ হৈ থকা যি প্রাকৃতিক জগতৰ বর্ণনা দিছে, সেয়া অসমৰ বসন্তকালীন প্রকৃতি-ৰাজ্যৰ এক হুবহু প্রতিচ্ছবি। কাব্যৰ মাজত এনেকুৱা স্থানীয় পৰিৱেশ সৃষ্টিৰ ৰুচিবোধ অতিকৈ প্রশংসনীয়। উদাহৰণস্বৰূপে—

  আম জাম শ্যাম, অতি অভিৰাম, শাল তাল দেখি।
  ফুলিল কণ্টকী, সুবর্ণ কেতেকী, ফুলমধ্যে যাক লেখি।।
  বসন্ত মিলিল, আৰাৱে কোকিল, বহয় মলয়া বাৱ।
  ভ্রমৰা গুঞ্জৰি, চিত্ত চুৰি কৰি, কোকিলে তেজিল ৰাৱ।।

  এই 'কৈলাস বর্ণনা' কাব্যখনিৰ এটি আকর্ষণীয় অংশ। উল্লেখযোগ্য যে তেওঁ ইয়াৰ পূর্বে *শকুন্তলা-উপাখ্যান* আৰু *যযাতি-চৰিত্র* নামে দুখন পদ-পুথিও ৰচনা কৰিছিল বুলি ভণিতা পেলাইছে।

৫.৩.৩ ৰুদ্র কন্দলী

প্রাক্-শংকৰী যুগৰ আন এগৰাকী বৈষ্ণৱ কবি হ'ল ৰুদ্র কন্দলী। এওঁ মহাভাৰতৰ দ্রোণপর্বৰ অন্তর্গত জয়দ্রথ বধ উপ-পর্বত উল্লেখ থকা সাত্যকীৰ যুদ্ধযাত্রা আৰু বীৰত্বব্যঞ্জক কাহিনীক আধাৰ হিচাপে লৈ *সাত্যকি-প্রৱেশ* নামে এখনি সৰু কাব্য ৰচনা কৰে। আত্মপৰিচয়সূচক পদখিনিৰ পৰা অনুমান কৰিব পাৰি যে কবিয়ে শ্রীমন্ত তাম্রধ্বজ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। কন্দলীয়ে তেওঁৰ *সাত্যকি-প্রৱেশত* লিখিছে —

শ্রীমন্ত তাম্রধ্বজ অনুজে সহিতে।
বৃদ্ধৰ সমান ধর্ম শিশু বয়সতে।।
বুদ্ধিত গম্ভীৰ ক্ষেমাৱন্ত শুভনয়।
যাহাৰ যশক সর্ব্বজনে প্রশংসয়।।
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক।
পুত্রৰ সমান কৰি দৰিদ্র-পালক।।
দুই ভাইৰ স্নেহ যেন ৰাম-লক্ষ্মণৰ।
সবান্ধৱে জীৱন্তোক সহস্র বৎসৰ।।

এই উদ্ধৃতিৰ মাজত কবি ৰুদ্র কন্দলীয়ে তাম্রধ্বজ নামৰ কোনো এজন ধার্মিক, স্থিৰবুদ্ধি, যশস্বী, প্রজাৰঞ্জক, উদাৰপন্থী আৰু ভ্রাতৃবৎসল ৰজাৰ দীর্ঘায়ু কামনা কৰিছিল। বুজা যায় যে সেই তাম্রধ্বজ-নৃপতিৰ পৃষ্ঠপোষকতা কবিয়ে লাভ কৰিছিল। সেয়েহে কনকলাল বৰুৱাই কৈছে — কামৰূপ-কমতা ৰাজ্যৰ পূবফালে দুর্লভনাৰায়ণে আৰু পশ্চিমফালে ধর্মনাৰায়ণে চতুর্দশ শতিকাৰ প্রথমভাগত ৰাজত্ব কৰিছিল। এই ধর্মনাৰায়ণৰেই পুত্র তাম্রধ্বজ। তেওঁ দুর্লভনাৰায়ণৰ পুত্র ইন্দ্রনাৰায়ণৰ সমসাময়িক হোৱাটো স্বাভাৱিক। গতিকে তাম্রধ্বজৰ ৰাজত্বকাল চতুর্দশ শতিকাৰ মধ্যভাগ বুলি ধৰি লোৱাত অসুবিধা নাই, আৰু এই সময়ডোখৰেই ৰুদ্র কন্দলীৰ কাব্য ৰচনাৰ কালৰূপে গ্রহণযোগ্য।

- *সাত্যকি-প্রৱেশ ঃ* মহাভাৰতৰ দ্রোণপর্বৰ ভিতৰত *জয়দ্রথ-বধ* নামৰ যি উপ-পর্ব আছে, তাৰ ভিতৰত কেইবাটাও অধ্যায়ৰ মাজত সাত্যকিৰ বীৰত্ব বর্ণিত হৈছে। সাত্যকি বৃষ্ণি-বংশীয় সত্যকৰ পুত্র, শিনিৰ নাতি। কুৰুক্ষেত্র যুদ্ধত তেওঁ পাণ্ডৱৰ সেনাপতি হিচাপে কৌৰৱৰ বিপক্ষে যুদ্ধ কৰি কৌৰৱৰ কেইবাজনো বীৰক বধ কৰে। ৰুদ্র কন্দলীয়ে মূল মহাভাৰতৰ বিৱৰণ স্থান বিশেষ চমুৰাইছে, স্থান বিশেষে বহলাইছে আৰু স্থান বিশেষে মূলক সম্পূর্ণ অনুসৰণ কৰিছে। অনুবাদখিনি যুদ্ধৰ বিৱৰণেৰে পৰিপূর্ণ। বৈষ্ণৱ যুগৰ বধকাব্যৰ যুদ্ধৰ বিৱৰণৰ লগত ৰীতিগত সাদৃশ্য দেখা যায়। সাত্যকিৰ এই বীৰত্বপূর্ণ ঘটনাবোৰ কবিয়ে *সাত্যকি-প্রৱেশ*ত কাব্যিক ***ৰস*** সঞ্চাৰ কৰি অনুবাদ কৰিছে। প্রয়োজনবোধে কবিয়ে যিবোৰ দীঘলীয়া বর্ণনা দাঙি ধৰিছে, উপযুক্ত ভাষাৰ যোগেদি সেইবোৰ ৰসাল হৈ কাব্যিক মর্যাদা ৰক্ষাৰ সহায়ক হৈছে। কাব্যখনৰ অনুবাদখিনি যুদ্ধৰ বিৱৰণেৰে পৰিপূর্ণ। ইয়াত মানৱ মনৰ বিভিন্ন অৱস্থাত হোৱা প্রতিক্রিয়াৰ বর্ণনা অনুপস্থিত। ঠায়ে ঠায়ে অৱশ্যে ঘৰুৱা উপমাৰ চিত্র সংযোজনা কৰি পাঠকৰ হৃদয়স্পর্শী কৰিবলৈ কবি সক্ষম হৈছে। 'বাতসে ভাঙয় যেন বৃক্ষ চম্পকৰ', 'লালছিণ্ডা পদ্ম যেন কৰয় প্রকাশ', 'কেটলা পশুৰ যেন ভৈল কলেবৰ', 'পিম্পৰাৰ দল যেন দিল পটোৱাৰ', 'সুপুত সিংহক যেন জগাইলে চৰণে', 'বাঘৰ আগত যেন মৃগৰ ছৱাল' আদি জতুৱা ঠাঁচ,



ৰসঃ 'ৰস' শব্দটোৰ অর্থ হ'ল স্বাদ বা সোৱাদ। সাহিত্যৰ ক্ষেত্রত ৰস হ'ল কাব্য পাঠ কৰি পাঠকে লাভ কৰা একপ্রকাৰ মানসিক অৱস্থা। সাহিত্যৰ ৰস নবিধ — শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্র, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।

উপমাৰ প্ৰয়োগে কাব্যখনক মনোগ্ৰাহী কৰি তুলিছে। কাব্যখনৰ ভাষা হেম সৰস্বতীৰ ভাষাতকৈ কিছু নতুন। ভাষাৰ ঘৰুৱা ঠাঁচ আৰু প্ৰকাশ ৰীতিয়ে কাব্যখন যথেষ্ট আকৰ্ষণীয় কৰি তুলিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক—

(ক) কবিৰত্ন সৰস্বতীয়ে ..... পৃষ্ঠপোষকতা লাভ কৰিছিল।

(খ) *জয়দ্ৰথ-বধ* কাব্যখনৰ কাহিনীভাগ চয়ন কৰা হৈছে .....।

(গ)..... মাধৱদেৱৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ সপ্তম উপৰিপুৰুষ।

(ঘ) শ্ৰীমন্ত তাম্ৰধ্বজ ৰজা ..... ৰ পৃষ্ঠপোষক আছিল।

(ঙ) *সাত্যকি-প্ৰৱেশ* কাব্যখনত বৈষ্ণৱ বধকাব্যৰ .....বিৱৰণৰ সৈতে ৰীতিগত সাদৃশ্য পৰিলক্ষিত হয়।

৫.৩.৪ হৰিবৰ বিপ্ৰ

প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত যুদ্ধকাব্য প্ৰণেতা হিচাপে হৰিবৰ বিপ্ৰ অন্যতম। কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত এৰেঁই নিঃসন্দেহে শ্ৰেষ্ঠ আসন দাবী কৰিব পাৰে। কবিয়ে আত্মপৰিচয় প্ৰসংগত *ব্ৰহ্মবাহনৰ যুদ্ধত* নিজেই এইদৰে লিখিছে—

জয় জয় নৃপবৰ দুৰ্ল্লভনাৰায়ণ ৰাজা
কমতাপুৰে ভৈলা বীৰবৰ।
সপুত্ৰবান্ধৱে যেবে সুখে ৰাজ্য কৰন্তোক
জীৱন্তোক সহস্ৰ বৎসৰ।।
তাহান ৰাজ্যত থিত সৰ্বজন মনোনীত
অশ্বমেধ পৰ্ব মধ্যে সাৰ।
বিপ্ৰ হৰিবৰ কবি হৰিৰ (গৌৰীৰ?) চৰণ সেৱি
পদবন্ধে কৰিলো প্ৰচাৰ।।

ইয়াৰ পৰাই কবিৰ পৃষ্ঠপোষক ৰজা যে দুৰ্লভনাৰায়ণ আছিল সেই কথা অনুমান কৰিব পাৰি। কালিৰাম মেধিয়ে দুৰ্লভনাৰায়ণৰ সময় উলিয়াইছে ১২৪৯ খ্ৰীষ্টাব্দ। কনকলাল বৰুৱাই দুৰ্লভনাৰায়ণৰ সময় চতুৰ্দশ শতিকাৰ দ্বিতীয় পাদ বুলি ঠিক কৰিছে। বাণীকান্ত কাকতিয়ে আকৌ দুৰ্লভনাৰায়ণৰ সময় নিৰূপণ কৰিছে ত্ৰয়োদশ শতিকাৰ শেষ কিম্বা চতুৰ্দশ শতিকাৰ আগভাগ।

আনফালে, চণ্ডীবৰৰ সমসাময়িক দুর্লভনাৰায়ণৰ বাহিৰেও পঞ্চদশ শতিকাত আন এগৰাকী দুর্লভনাৰায়ণৰ উল্লেখ গুৰুচৰিতসমূহত পোৱা যায়। কিন্তু ঐতিহাসিক দৃষ্টিকোণেৰে চালে এই অনুমান সত্য বুলি মানি ল'ব নোৱাৰি। কিয়নো সুকুমাৰ মহন্তৰ ঘৰত প্ৰাপ্ত *অসম বুৰঞ্জী* আৰু ব্ৰেড চাহাবৰ বুৰঞ্জীত পঞ্চদশ শতিকাৰ শেষত আৰু ষোড়শৰ আৰম্ভণিতে দুর্লভেন্দ্ৰ নামৰ এজন ৰজা থকাৰ কথা উল্লেখ আছে। এই দুর্লভেন্দ্ৰকে চৰিতপুথিত দুর্লভনাৰায়ণ কৰা একো অসম্ভৱ নহয়। গতিকে দুর্লভেন্দ্ৰ নামৰ ৰজা এজনৰ অস্তিত্ব মানি ল'লেও তেওঁক দুর্লভনাৰায়ণৰ লগত একে বুলি ধৰিব নোৱাৰি। তদুপৰি ৰামানন্দ দ্বিজৰ *বংশীগোপালদেৱৰ চৰিতত* আন এজন পণ্ডিত আৰু হৰিবৰ বিপ্ৰৰ উল্লেখ আছে —

কুণ্ডীল গোষ্ঠীত জাত পুৰুষ সুন্দৰ।
ব্যাঘ্ৰপিণ্ডা গ্ৰামেশ্বৰ মুখ্য পণ্ডিতৰ।।
যাৰ গৃহদ্বাৰে জ্বলে বজ বাজি চয়।
বিপ্ৰ হৰিবৰ খ্যাতি যাহাক কহয়।।
ভাৰত পুৰাণ পদ কৰিছা বিস্তাৰ।

ইয়াত থকা *ভাৰত পুৰাণ* কথাটোৱে হৰিবৰ বিপ্ৰৰ যুদ্ধকাব্য দুখনক ইংগিত কৰা যেন লাগে আৰু ইয়াৰ আধাৰতে মহেশ্বৰ নেওগদেৱে হৰিবৰ বিপ্ৰক পঞ্চদশ শতিকাৰ শেষভাগত স্থাপন কৰিব খোজে। কিন্তু, এইজন হৰিবৰ বিপ্ৰ আহোম ৰাজ্যৰ অধিবাসী আছিল আৰু উজনি খণ্ডত বসবাস কৰিছিল। সেয়ে তেওঁ কমতাপুৰৰ ৰজাৰ পৃষ্ঠপোষকতা পোৱা বুলি ধৰিলে অনুমানৰ ওপৰত নির্ভৰ কৰিব লগা হয়। গতিকে চতুর্দশ শতিকাৰ প্ৰথমাৰ্ধৰ দুর্লভনাৰায়ণ ৰজাই হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক আছিল বুলি ধৰাই বেছি সমীচীন হ'ব। হৰিবৰ বিপ্ৰই ৰচনা কৰা কাব্য এতিয়ালৈকে পোৱা হৈছে তিনিখন — *লৱ-কুশৰ যুদ্ধ, বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ*।

- *লৱ-কুশৰ যুদ্ধ ঃ* হৰিবৰ বিপ্ৰৰ *লৱ-কুশৰ যুদ্ধৰ* আৰম্ভণিতে জন্মেজয়ে দুই যুদ্ধৰ কথা লৈ জৈমিনীক কৈছে—

  দুয়ো কথা শুনিবাৰ মোৰ মনে লাগে।
  তথাপিতো ৰাম-কথা কহিয়োক আগে।।

  ইয়াৰ পৰা এনে অনুমান কৰিব পাৰি হৰিবৰ বিপ্ৰই *বভ্ৰুবাহনৰ যুদ্ধ* ৰচনা কৰাৰ আগতেই *লৱ-কুশৰ যুদ্ধ* ৰচনা কৰে। গর্ভৱতী সীতাক নির্বাসন দিয়াৰপৰা ৰামচন্দ্ৰৰ লগত লৱ-কুশৰ যুদ্ধ আৰু যুদ্ধত ৰামচন্দ্ৰৰ মৃত্যুলৈকে ঘটা ঘটনাবোৰ *লৱ-কুশৰ যুদ্ধত* অন্তর্ভুক্ত হৈছে। *লৱ-কুশৰ যুদ্ধ* কাব্যখনিৰ মূল বিষয়বস্তু গ্ৰহণ কৰা হৈছে জৈমিনীৰ *অশ্বমেধ-পর্বৰ* পৰা। হৰিবৰ বিপ্ৰই কাহিনীৰ বিৱৰণত মূলৰ পৰা আঁতৰি যোৱা নাই। কিন্তু ঠাই বিশেষে কথাবোৰ সংক্ষেপ কৰিবৰ বাবে যত্ন কৰিছে। এই প্ৰসংগত তেওঁ এটি অর্থপূর্ণ উক্তি কৰিছে —

কাহাৰো হৰিষ পদে শ্লোক এক গৈল।
কাহাৰো হৰিষ বিশ্রিত লম্ভা থৈল।।
সৰাৰো আনিয়া সাৰ বিপ্ৰ হৰিবৰ।
বোলে অশ্বমেধ-যজ্ঞ পদ ৰুচিকৰ।।

কাব্যখনত ৰামে ৰাৱণক বধ কৰি অপহৃতা সীতাক উদ্ধাৰ কৰা, সীতাৰ অগ্নি পৰীক্ষা; লক্ষ্মণ, হনুমন্ত, বিভীষণ সহিতে ৰাম অযোধ্যালৈ ঘূৰি অহা কথাৰ মাত্ৰ উল্লেখহে কৰিছে। তাৰ পৰিৱৰ্তে বশিষ্ঠ আদি ঋষিসকল, কৌশল্যা, কৈকেয়ী, সুমিত্ৰা আৰু ভৰতে ৰাম-লক্ষ্মণ, সীতাক কিদৰে আদৰ সম্ভাষণ জনাইছে সেই কথাত অধিক গুৰুত্ব আৰোপ কৰিছে। এনে বৰ্ণনাত দুই-এটি সৰু-সু�ৰা বিশেষ বৰ্ণনা বাদ পৰি গৈছে। আনফালে আকৌ কথাৰ ধাৰ চিনাকি বা ঘৰুৱা সুঁতিয়েদি বোৱাবলৈ যত্ন কৰি দুই-এটি কথাত নতুনত্বৰ ৰহন সানিছে। সীতাৰ গৰ্ভ-ধাৰণৰ পঞ্চম মাহত অনুষ্ঠিত পুংসৱন উৎসৱৰ বৰ্ণনাতো আমাৰ কবিয়ে মৌলিকত্বৰ পৰশ পেলাইছে। সেইদৰে ৰামে পঞ্চদেৱতাক পূজা কৰা, ভৰতে পূৰ্বৰ মহন্ত ৰজাসকলক জুৰি গীত গোৱা, সুৱৰ্ণ আৱৰণেৰে সীতাৰ গৰ্ভ ঢকা, জনকে ৰাম-সীতাৰ চুলিৰ আগ গোটাই পানী ঢলা, বশিষ্ঠই ৰামক দক্ষিণা দিবলৈ জনকক দিহা দিয়া— এইখিনি বৰ্ণনা তেওঁৰ মৌলিক সৃষ্টি।

এইখন কাব্যত ৰাম-সীতাৰ নিন্দা গোৱা ধোবা আৰু তাৰ ঘৈণীয়েকৰ সৰু কাহিনীটোত সিহঁতে কাজিয়া কৰোঁতে ব্যৱহাৰ কৰা ভাষা তথা ধোবাই শহুৰেকৰ প্ৰতি ব্যৱহাৰ কৰা ভাষা নিতান্ত ৰুচিবৰ্জিত। এনে কৰাৰ মূল কাৰণ হয়তো জনৰুচিৰ প্ৰতি গুৰুত্ব দি কিছু ৰহন সানি কাব্যখন নাটকীয় কৰি তোলা। সেইবাবে মহেশ্বৰ নেওগে মন্তব্য দিছে—

> সীতা আৰু লক্ষ্মণ গঙ্গাৰ তীৰত উপস্থিত হোৱাৰ ছেগতে হৰিবৰ বিপ্ৰই মূলৰ জম্বু, আম্ৰ, চম্পক, পুলিন্দ আদি বাৰবিধ গছৰ নামৰ ঠাইত ছাৰে তিনিকুৰিৰো অধিক ফুলে ফলে জাতিষ্কাৰ গছৰ নাম এফালৰ পৰা ছন্দত বান্ধি এখন ডাঠ হাবিৰ আভাস দিবৰ যত্ন কৰিছে।... ...'ঘোৰ বন'ৰ পৰা ঘূৰি অহা বাল্মীকিক আশ্চৰ্যান্বিত 'ছাত্রচয়ে' সীতাৰ দুটা যঁজা ল'ৰা জন্ম হোৱাৰ সম্বাদ দিয়া হৰিবৰৰ উদ্ভাৱন।... ...শত্রুঘ্নৰ সৈন্য আৰু শত্রুঘ্নৰ লগত লৱৰ যুদ্ধৰ বৰ্ণনা মূলৰ দৰেই ভয়ঙ্কৰ। শত্রুঘ্নৰ হালধীয়া গৃধ্র-পত্র-অলংকৃত শৰৰ চোটত লৱ নমৰি মাত্ৰ মূৰ্ছিত হোৱাৰ কাৰণ কবিয়ে স্বকীয়ভাৱে দিছে— 'বিষ্ণু-অংশ হেতু তাৰ ৰৈলেক পৰাণ'। কোনো ঠাইত 'বেলাড্' কবিতাৰ ঝংকাৰো যেন সাৰ পাই উঠিছে।... ...মুঠতে হৰিবৰ বিপ্ৰই সাধাৰণ পাঠক-শ্রোতাৰ ৰুচি অনুযায়ী 'লৱ-কুশৰ যুদ্ধ'ৰ কাহিনী সৰল কৰি ভাঙি উলিয়াইছে।
>
> (নেওগ, ২০০০, পৃ. ৬২)

- *ৰত্নবাহনৰ যুদ্ধ ঃ* হৰিবৰ বিপ্ৰৰ আন এখনি ৰচনা হৈছে *ৰত্নবাহনৰ যুদ্ধ*। এই পুথিখনিত

৬০৫ টা পদ আছে। এই কাব্যখনি মহাভাৰতৰ অশ্বমেধ পর্বত থকা কাহিনীৰ আধাৰত ৰচনা কৰা হৈছে। যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰ অনুসৰণত অর্জুনৰ মণিপুৰত প্ৰৱেশ, আটক কৰা ঘোঁৰা ওভতাই দিবলৈ বভ্রুবাহনৰ প্ৰস্তুতি, বভ্রুবাহনৰ প্ৰতি অর্জুনৰ অকথ্য-নিন্দাবাণী, যুদ্ধৰ কাৰণে বভ্রুবাহনৰ প্ৰস্তুতি, যুদ্ধ-সজ্জা, বিভিন্ন বীৰৰ লগত যুদ্ধ, বৃষকেতুৰ লগত যুদ্ধ, অর্জুনৰ মৃত্যু, স্বামীৰ মৃত্যুত চিত্রাঙ্গদা-উলুপীৰ বিলাপ, পিতৃবধৰ প্ৰায়শ্চিত্তৰ কাৰণে অগ্নি-প্ৰৱেশ কৰিবলৈ বভ্রুবাহনৰ উদ্যোগ, সঞ্জীৱনী মণি আনিবলৈ বভ্রুবাহনৰ সমৰ যাত্রা, পাতালপুৰৰ পৰা সঞ্জীৱনী মণিৰ সংগ্রহ আৰু তাৰ সংস্পর্শত অর্জুন-বৃষকেতু আদিৰ জীৱন লাভ— এই প্ৰধান ঘটনাবোৰৰ লগত আৰু বহুত আনুষংগিক কথা সংযোগ কৰি কবিয়ে *বভ্রুবাহনৰ যুদ্ধ* ৰচনা কৰিছে।

প্ৰয়োজন অনুসাৰে বর্ণনা দেশ-কাল-পাত্রৰ উপযোগীকৈ চুটি-দীঘল কৰাৰ বাহিৰে আমাৰ কবি মূল কাহিনীৰ পৰা বৰ বিশেষ আঁতৰি অহা নাই। বিভিন্ন পৰিস্থিতিক ঘৰুৱা চিত্রকল্প আৰু উপমাৰ প্ৰয়োগেৰে হৃদয়সংবেদী কৰি তুলিছে। বভ্রুবাহন আৰু বৃষকেতুৰ মাজত হোৱা যুদ্ধৰ বর্ণনাত কবি মূলৰ পৰা আঁতৰি আহি নিজস্ব কল্পনাৰ ৰহন সানিছে। বিশেষকৈ অর্জুনলৈ নিক্ষেপ কৰা অর্ধচন্দ্র বাণৰ বর্ণনাৰ কথা উল্লেখ কৰিব পাৰি। আনকি বভ্রুবাহনৰ হাতত তেওঁৰ মহা মহা বীৰসমূহৰ পতনৰ পাছত অর্জুনে অতীত-কীর্তিলৈ উভতি চাই কৰুণভাৱে বিলাপ কৰাৰ বর্ণনা অসমীয়া কবিৰ নিজস্ব কল্পনা। সেইবাবে মহেশ্বৰ নেওগে মন্তব্য কৰিছে— "অর্জুনৰ শোক গাথা ৰচনাত কবি কৃতকার্য হৈছে।"

- *তাম্রধ্বজৰ যুদ্ধ ঃ* হৰিবৰ বিপ্রৰ তৃতীয়খনি যুদ্ধকাব্য হৈছে *তাম্রধ্বজৰ যুদ্ধ*। ইয়াৰ কাহিনী অংশ বভ্রুবাহনৰ যুদ্ধত বর্ণিত অর্জুনৰ দিগ্বিজয়ৰ প্রসাৰণ মাত্র। মণিপুৰৰ পৰা যজ্ঞৰ ঘোঁৰা লৈ মাধৱ আৰু ধনঞ্জয় আহি আহি ময়ূৰধ্বজ ৰজাৰ ৰাজ্য বাণপুৰত প্ৰৱেশ কৰিলে। সেই সময়তে ময়ূৰধ্বজে সপ্তমবাৰৰ বাবে অশ্বমেধ যজ্ঞ সমাপন কৰিবলৈ পুত্র তাম্রধ্বজৰ লগত ঘোঁৰা মেলিছে। দুই ঘোঁৰা লগা-লগি হোৱাত তাম্রধ্বজে পাণ্ডৱ দলৰ অনিৰুদ্ধ, বৃষকেতু, সাত্যকি, বভ্রুবাহন আদি মহাবীৰক পৰাজিত কৰে। আনকি কৃষ্ণ আৰু অর্জুনকো বীৰত্ব প্ৰদর্শন কৰি মূর্চ্ছা নিয়ালে। পৰিশেষত কৃষ্ণ-অর্জুনে ব্রাহ্মণ আৰু শিষ্যৰ বেশ ধৰি ময়ূৰধ্বজ ৰজাৰ আগত দেখা দি তেওঁক ছলনা কৰি যজ্ঞৰ ঘোঁৰা মুক্ত কৰে। কাব্যখনিৰ বিষয়বস্তু ইমানেই।

বিষয়বস্তুৰ ৰূপায়ণ, যুগচিত্রৰ অংকন, ৰস আৰু চৰিত্র-সৃষ্টি, বর্ণনাশক্তি, যথোপযুক্ত ভাষাৰ প্ৰয়োগ, বিবিধ অলংকাৰৰ সংযোগ আদি সকলো দিশ চালি-জাৰি চালে ক'ব পৰা যায় — হৰিবৰ বিপ্র প্রাক্-শংকৰী যুগৰ এগৰাকী শ্রেষ্ঠ কবি।

হৰিবৰ বিপ্রৰ ভাষা শক্তিশালী— ই সকলো ভাব, অনুভূতি আৰু কল্পনা প্রকাশৰ কাৰণে যোগ্য। উদাহৰণস্বৰূপে—

দেৱাসুৰ মনুষ্যক সবাকো জিনিলো ৰণে
তেবেসে বোলাইছে সব্যসাচী।
হস্তী গুছি মাখি ভৈলা গো খোজতে তল গৈলো
কচুত ভাঙিলো মই কাচি।।

মুঠৰ ওপৰত কাব্যিক সৌন্দর্যৰ ক্ষেত্রত হৰিবৰ বিপ্র প্রাক্-শঙ্কৰী যুগৰ শ্রেষ্ঠ কবি মাধৱ কন্দলীৰ পাছতে স্থান পাবৰ যোগ্য। ঠিক সেইদৰে তেওঁ প্রয়োগ কৰা প্রৱচনৰ দৰে পংক্তিসমূহো উল্লেখযোগ্য। যেনে — "বুঢ়াৰ হাতত চেং সেম্থাৰ নেৰায়", "খং নামে চণ্ডালক সহিতে নপাৰি" ইত্যাদি।

কাব্যকেইখনৰ বেছিভাগ কথাৰ বর্ণনাতে হৰিবৰ বিপ্রই পদছন্দকে প্রয়োগ কৰিছে। প্রণিধানযোগ্য যে তেওঁৰ তিনিওখন কাব্যতে তৰুণ শক্তিৰ উত্থান আৰু বিজয়গাথা ঘোষণা হৈছে। সেইবাবে সত্যেন্দ্রনাথ শর্মাই এই কাব্য তিনিখনক 'তৰুণ প্রশস্তিমূলক কাব্য' বুলি অভিহিত কৰিছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৩ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) এতিয়ালৈকে হৰিবৰ বিপ্র প্রণিত চাৰিখন কাব্য পোৱা গৈছে।

(খ) *লৱ-কুশৰ যুদ্ধ* কাব্যখনৰ মূল বিষয়বস্তু চয়ন কৰা হৈছে জৈমিনীৰ *অশ্বমেধ-পর্বৰ* পৰা।

গ) "অর্জুনৰ শোক গাথা ৰচনাত কবি কৃতকার্য হৈছে।" — কথাষাৰ কৈছিল কালিৰাম মেধি ডাঙৰীয়াই।

.....

প্রশ্ন নং ৪ ঃ শুদ্ধ উত্তৰটি বাছি উলিওৱাক—

i) *লৱ-কুশৰ যুদ্ধ* কাব্যখনৰ মূল বিষয়বস্তু চয়ন কৰা হৈছে—

(ক) জৈমিনীৰ *অশ্বমেধ-পর্ব্ব* পৰা (খ) *ৰামায়ণৰ* পৰা

(গ) *মহাভাৰতৰ* পৰা (ঘ) *ৰামন পুৰাণৰ* পৰা

.....

ii) *ৱৰ্ৰুবাহনৰ যুদ্ধ* কাব্যখনৰ মুঠ পদ সংখ্যা—

(ক) ৬১৫ টা (খ) ৬২৫ টা

(গ) ৬০৫ টা (ঘ) ৬৩৫ টা

.....

প্রশ্ন নং ৫ ঃ হৰিবৰ বিপ্রই ৰচনা কৰা *ৱৰ্ৰুবাহনৰ যুদ্ধ, তাম্রধ্বজৰ যুদ্ধ* আৰু *লৱ-কুশৰ যুদ্ধ* — এই কাব্যকেইখনদি কবিয়ে কিহৰ প্রশস্তি কৰিছে?

.....

৫.৩.৫ মাধৱ কন্দলী

অসমীয়া সাহিত্যৰ বুৰঞ্জীত মাধৱ কন্দলীৰ স্থান অদ্বিতীয়। এইজনা কবিৰ পৰিচয় সঠিকভাৱে পোৱা নাযায়। সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে মাধৱ কন্দলীৰ স্থান আদিৰ বিষয়ে বিবিধ মন্তব্য আগবঢ়াইছে যদিও কবিয়ে 'লংকাকাণ্ড'ত দিয়া আত্মপৰিচয়টো এইক্ষেত্ৰত অতি তাৎপৰ্যপূৰ্ণ—

কবিৰাজ কন্দলি যে আমাকেসে বুলিবয়
কৰিলোহো সৰ্বজন-বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধ।।

উদ্ধৃত ভণিতাফাকিয়ে প্ৰমাণ কৰে যে মাধৱ কন্দলীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজন আছিল 'বৰাহী ৰজা' শ্ৰীমহামাণিক্য। প্ৰণিধানযোগ্য যে পণ্ডিতসকলৰ মাজত বৰাহী ৰাজ্য তথা শ্ৰীমহামাণিক্যৰ ৰাজত্বকাল সম্পৰ্কে মতবিৰোধ আছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে, বৰাহীসকল হ'ল হিন্দু ধৰ্ম গ্ৰহণ কৰা কছাৰীসকলৰ এটা শাখা। এই মহামাণিক্য বৰাহী কছাৰীসকলৰ ৰজা আৰু তেওঁ চতুৰ্দশ শতিকাৰ মাজ ভাগমানত ৰাজত্ব কৰিছিল।

মাধৱ কন্দলীয়ে সুদূৰ চতুৰ্দশ শতিকাতে বাল্মীকিৰ ৰামায়ণ অসমীয়া ভাষালৈ ভাঙনি কৰে। মাধৱ কন্দলীয়ে 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে' বুলি এঠাইত কৈছে যদিও 'আদি' আৰু 'উত্তৰাকাণ্ড' পোৱা নাযায়। সেয়ে মাধৱদেৱ আৰু শংকৰদেৱে বাকী দুটা কাণ্ড অনুবাদ কৰি কন্দলীৰ *ৰামায়ণ* সম্পূৰ্ণ কৰে। প্ৰাপ্ত পাঁচোটা কাণ্ড হ'ল— অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধ্যাকাণ্ড, সুন্দৰাকাণ্ড আৰু লংকাকাণ্ড। এই গোটেইকেইটা কাণ্ডৰ মাজেদি মাধৱ কন্দলীৰ কবি প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন ফুটি উঠিছে। *ৰামায়ণ*ৰ উপৰি মাধৱ কন্দলীয়ে *দেৱজিত* নামৰ কাব্য এখনিও ৰচনা কৰিছে।

- *ৰামায়ণ* ঃ মাধৱ কন্দলীয়ে সুদূৰ চতুৰ্দশ শতিকাতে বাল্মীকি *ৰামায়ণ*খন অসমীয়া ভাষালৈ অনুবাদ কৰে। এই *ৰামায়ণ* সেই যুগৰ বৃহত্তম গ্ৰন্থই নহয়, সমগ্ৰ পুৰণি সাহিত্যৰ ভিতৰতে গুণগত বৈশিষ্ট্যৰ ফালৰ পৰাও কীৰ্তিস্তম্ভ স্বৰূপ। উত্তৰ ভাৰতৰ প্ৰাদেশিক ভাষাবিলাকত ৰচিত সকলো ৰামায়ণতকৈ ই প্ৰাচীন। ইয়াৰ কাব্যিক, সাংস্কৃতিক আৰু ঐতিহাসিক মূল্য অকল অসমীয়া সাহিত্যত নিৰূপিত নহয়, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ইতিহাসতো এই কাব্যৰ স্থান অতি উচ্চ। চতুৰ্দশ শতিকাতে ৰচিত এই গ্ৰন্থই আমাৰ সাহিত্য মন্দিৰৰ ভেটি নিকপকপীয়াকৈ বান্ধি থৈ গৈছে, অসমীয়া জাতিৰ গৌৰৱময় প্ৰাচীনত্ব ঘোষণা কৰিছে আৰু সূক্ষ্ম প্ৰকাশধৰ্মিতা প্ৰদৰ্শন কৰিছে। ই অতীত অসমৰ দাপোণ স্বৰূপ। ইয়াৰ মাজেদি চতুৰ্দশ শতিকাৰ অসমীয়া জাতিৰ শিক্ষা-সাধনা, ধৰ্ম-ভাব, আদৰ্শ, ৰীতি-নীতি,

আচাৰ-ব্যৱহাৰ, সমাজ ব্যৱস্থা আদিৰ বিষয়ে ভালেমান কথা জানিব পাৰি।

উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত *ৰামায়ণ*ৰ ভিতৰত মাধৱ কন্দলীৰ *ৰামায়ণ*খনেই প্ৰাচীনতম হ'লেও এওঁৰ ভাষা অতি সৰল, সাৱলীল হোৱাৰ লগতে নিটোল ৰচনাভংগীয়ে এটি ধাৰাবাহিক সাহিত্য পৰম্পৰাৰ স্পষ্ট আভাস দিয়ে। কন্দলীয়ে *ৰামায়ণ* অনুবাদ কৰোঁতে বাল্মীকিৰ *ৰামায়ণ*কে চমুকৈ ৰূপ দিছে। তেওঁৰ অনুবাদৰ মূল নীতি হ'ল— 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে'। কিন্তু সেইবুলি প্ৰয়োজনীয় ঘটনা বা বিৱৰণ বাদ দি ৰসভংগ ক'তো কৰা নাই। আখ্যান, পৰিৱেশৰ সৌন্দৰ্য আৰু প্ৰভাৱশীলতা অব্যাহত ৰাখিবৰ বাবে যিখিনি বৰ্ণনা অপৰিহাৰ্য সেইখিনি কন্দলীয়ে অনুবাদত ৰক্ষা কৰিছে। তদুপৰি, কন্দলীয়ে *ৰামায়ণ*খনিক কাব্যিক ৰহনেৰেও উজ্জ্বল আৰু মোহনীয় কৰি তুলিছে। এনে কাব্যিক ৰহনৰ যুক্তিযুক্ততা তেওঁ এনেদৰে দেখুৱাইছে—

কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লম্ভা কথা অনুসাৰে।।

এই উক্তিৰপৰা জানিব পাৰি যে মাধৱ কন্দলীয়েও জনসাধাৰণৰ ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ ৰুচি অনুসাৰে *ৰামায়ণ* অনুবাদ কৰিবলৈ যাওঁতে মূলৰ কথাত যোগ-বিয়োগ কৰিছে আৰু স্থানীয় ৰহনো সানিছে। কিয়নো, কবিৰ ভাষাত— 'দেৱ বাণী নুহি ইটো লৌকিকহে কথা'। উদাহৰণস্বৰূপে— ভৰত মাতুল গৃহৰ পৰা উভতি অহাৰ পাছত কুঁজীয়ে লাহ-বিলাহ কৰি ভৰতৰ আগত উপস্থিত হোৱা কথাটো মূলত আছে যদিও, তাই মনে মনে পটেশ্বৰী হ'বলৈ হাবিয়াস কৰাটো কন্দলীৰ নিজস্ব সৃষ্টি। আচলতে, জনসাধাৰণৰ মনত হাস্যৰসৰ সঞ্চাৰ কৰিবলৈ কবিয়ে এনে বৰ্ণনা সংযোগ কৰিছে।

আকৌ, বাল্মীকিৰ দৰে মাধৱ কন্দলীৰ ৰাম আদৰ্শ মানৱ; সুখ-দুখাতীত ঈশ্বৰ নহয়। একেদৰে, বাল্মীকিৰ ৰসাল অপৰিহাৰ্য শ্লোকসমূহ কন্দলীয়ে অনুবাদত মূলানুগত ৰূপত সুন্দৰকৈ ৰাখি থৈ গৈছে—

মূলত আছে ঃ দেশে দেশে কলত্রানি দেশে দেশে চবান্ধবাঃ।
তং তু দেশং স পশ্যামি যত্র ভ্রাতা সহোদাৰাঃ।।

অনুবাদ ঃ ভার্যা পুত্র বন্ধু যত পাই যথা তথা।
হেন নতু দেখহ সোদৰ পাই কোথা।।



চিন্তা-চৰ্চা কৰক — ৫.১

*ৰামায়ণ*ৰ বিষয়বস্তুৰ আধাৰত অসমীয়া ভাষাত কি কি কাব্য, নাটক, গীত, উপন্যাস আদি ৰচনা হৈছে সেই সম্পৰ্কে এটি আলোচনা যুগুত কৰিবলৈ যত্ন কৰক। এই প্ৰসংগত সত্যেন্দ্ৰনাথ শৰ্মাৰ *ৰামায়ণৰ*

ইতিবৃত্ত, উপেন্দ্রচন্দ্র লেখাৰুৰ *ৰামায়ণী সাহিত্য*, কেশদা মহন্তৰ *ৰামায়ণৰ আঁতি-গুৰি* — এই তিনিখন গ্রন্থৰ সহায় লওক।

.....

.....

.....

.....

.....

.....

পৰিৱেশ চিত্রণ, নৈসর্গিক শোভা বর্ণনা, বীৰ-হাস্য- শৃংগাৰ-কৰুণাদি ৰস সৃষ্টি আৰু শব্দ চয়নত কন্দলীৰ বিশেষ দক্ষতা প্রকাশ পাইছে। উদাহৰণস্বৰূপে— অযোধ্যা কাণ্ডৰ প্রথম অধ্যায়ত থকা উৎসৱমুখৰ অযোধ্যাৰ চিত্র, ৰাম বনলৈ যাওঁতে সৃষ্টি হোৱা দশৰথৰ মানসিক অৱস্থা, চিত্রকূটৰ নৈসর্গিক শোভা, লংকাৰ বর্ণনা, যুদ্ধৰ বিৱৰণ, চৰিত্রসমূহৰ শৰীৰৰ সৌষ্ঠৱ বা বিকৃতি আৰু মানসিক ক্রিয়া-প্রতিক্রিয়াৰ বর্ণনা আদিৰ কথা উল্লেখ কৰিব পাৰি। উদাহৰণস্বৰূপে—

স্বভাৱে বাৰিষা কাল কাম অতিৰেক।
একগোট দিন যাই এক বৰিষেক।।
ৰাঘৱে বোলন্ত লখাই নমেঅৰ পৰাণ।
শৰীৰক দহে মদনৰ পঞ্চবান।।

কন্দলীৰ হাতৰ পৰশত এই সকলো বর্ণনা জীৱন্ত, গতিশীল আৰু মনোৰম হৈ পৰিছে। সেয়ে ক'ব পাৰি যে কন্দলীয়ে অতি কম কথাৰে সৌন্দর্যক মনোৰম আৰু কদর্যক ভয়ংকৰ কৰি তুলিব পাৰে। সেইদৰে, শব্দ চয়ন আৰু শব্দ প্রয়োগৰ কৌশল কন্দলীৰ ৰচনাৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। এওঁ সংস্কৃত বা তৎসম শব্দৰ লগত অসমীয়া তদ্ভৱ, অর্দ্ধতৎসম আৰু দেশজ শব্দৰ সুন্দৰ সংগতিৰে এক সমৃদ্ধিশালী ৰচনাশৈলী সৃষ্টি কৰিছিল। সেয়ে পাছৰ যুগৰ ৰামায়ণী সাহিত্যত কন্দলীৰ প্রভাৱ অপৰিসীম। কবিয়ে তেওঁৰ অনূদিত *ৰামায়ণ*খনিত অসমীয়া লোকোক্তি, যোজনা-পটন্তৰ আদি বিশেষৰূপে ব্যৱহাৰ কৰি অসমীয়া মাটি পানীৰে জীপ দিছে। উদাহৰণস্বৰূপে—"আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।", "ৱৰশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি।" ইত্যাদি।

সেইদৰে, ঘৰুৱা উপমা -ৰূপক আদি অলংকাৰৰ প্রয়োগতো বর্ণনাবোৰ ৰসাল আৰু মনোগ্রাহী হৈছে—

তাসম্বাৰ মাজে দেৱী সংসাৰত সাৰা।
মেঘে যেন ঢাকি অছে সর্বোত্তম তাৰা।।

কেশে যেন ঢাকি আছে চম্পক মল্লিকা।
ভস্মে যেন ঢাকি আছে অগনিৰ শিখা।।
একেদৰে— ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই স্তন।।

এইদৰে *ৰামায়ণ*খনিত মাধৱ কন্দলীৰ সাহিত্য প্ৰতিভাৰ মূৰ্ত প্ৰকাশ ঘটিছে। দৰাচলতে, মাধৱ কন্দলীৰ *ৰামায়ণক* তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলিব পাৰি।

- *দেৱজিত ঃ* মাধৱ কন্দলীৰ নামত *দেৱজিত* নামৰ আন এখন কাব্যও পোৱা যায়। পুথিখনিৰ বৰ্ণনা অনুসৰি নাৰদে ইন্দ্ৰক কৃষ্ণৰ পূজা কৰিবলৈ কয়। কিন্তু ইন্দ্ৰ অমান্তি হোৱাত নাৰদে আহি কৃষ্ণক জনায় যে ইন্দ্ৰই তেওঁক অৱজ্ঞা কৰিছে। এদিন অৰ্জুনৰ সৈতে কৃষ্ণ বীজেন্দ্ৰিয় বনত মৃগয়া কৰিবলৈ যায় আৰু তাতেই দেৱতাসকলৰ সৈতে যুদ্ধত অৱতীৰ্ণ হয়। অৰ্জুনৰ সৈতে কৃষ্ণই স্বৰ্গৰ দেৱতাসকলক পৰাস্ত কৰে আৰু নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। ফলত বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হয়। কাব্যখন ৰচনা কৰাৰ সন্দৰ্ভত কবিয়ে কৈছে—

কৰি সাৰোদ্ধাৰ অষ্টাদশৰ সন্মত।
মহাপুণ্যপদ ৰচিলোহো দেৱজিত।।

ভণিতাৰ অন্তৰ্গত এই পদফাকিৰ পৰা এটা কথাই বুজা যায়— কবিয়ে হয়তো অষ্টাদশ পৰ্ব মহাভাৰতৰ পৰা নাইবা অষ্টাদশ পুৰাণৰ পৰা সাৰোদ্ধাৰ কৰি এই কাব্য ৰচনা কৰিছিল। যি কি নহওক, কাব্যখনত বৈষ্ণৱ আদৰ্শ প্ৰতিষ্ঠাৰ যত্ন সুস্পষ্ট —

কৃষ্ণৰ যশস্যানাম পাপ বিমোচন।
মাধৱ কন্দলী ভণে শুনা সুশোভন।।
হেনজানি নামক ধৰিয়ো যত্ন কৰি।
ধনজন যত দেখা সবে মায়াজৰি।।
ৰামনাম লৈয়ো আবে দৃঢ় কৰি মন।
তেবেসে তৰিবা সবে যমৰ কৰণ।।
হৰিভকতিত তৰে চণ্ডাল সম্প্ৰতি।
হেন জানি হৰিভকতিত দিয়া মতি।।

এনেকুৱা প্ৰৱল বৈষ্ণৱ আদৰ্শ প্ৰচাৰৰ যত্ন থকা কাৰণে *দেৱজিত* কাব্যখন কবি মাধৱ কন্দলীৰ ৰচনা নহয় বুলি বহু সমালোচকে ক'ব খোজে। কোনো কোনোৱে আকৌ ইয়াৰ ৰচকৰূপে পৰৱৰ্তীকালৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকামী আন কোনো মাধৱ কন্দলীৰো কল্পনা কৰে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অৱশ্যে দ্বিধাহীনভাৱেই কৈ গৈছে— "মাধৱ কন্দলীয়ে লিখা আমি কেৱল দুখন গ্ৰন্থহে দেখিছোঁ— *সাতকাণ্ড ৰামায়ণ* আৰু *দেৱজিত কাব্য*।" বহুকাল আগৰে পৰা

চলি অহা বিষ্ণু-ভক্তিৰ আলোচনাৰ লগতে ৰামায়ণৰ ভাষা আৰু প্ৰকাশ ৰীতিৰ লগত সাদৃশ্য দেখুৱাই শৈলেন ভৰালীয়ে প্ৰতিপন্ন কৰিছে যে *দেৱজিত*ৰ ৰচক আৰু *ৰামায়ণ*ৰ ৰচক মাধৱ কন্দলী একেজন কবি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ খালি ঠাই পূৰণ কৰক—

(ক) মাধৱ কন্দলীয়ে 'ৰৰাহী ৰজা' ..... পৃষ্ঠপোষকতা লাভ কৰিছিল।

(খ) মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ এতিয়ালৈকে উদ্ধাৰ হোৱা খণ্ড হ'ল.....।

(গ) মাধৱ কন্দলীৰ *ৰামায়ণ* হ'ল প্ৰাদেশিক ভাষালৈ অনূদিত সকলো *ৰামায়ণ*তকৈ .....।

প্ৰশ্ন নং ৭ ঃ মাধৱ কন্দলীৰ *ৰামায়ণ*ত অসমীয়া লোকজীৱনৰ প্ৰকাশ কেনেদৰে ঘটিছে সেয়া চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....



৫. ৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাক্-শংকৰী যুগটো মূলতঃ কাব্য সাহিত্যৰ যুগ। এই যুগত *ৰামায়ণ, মহাভাৰতৰ* কাহিনীৰ আধাৰত ভালেসংখ্যক কাব্য ৰচিত হৈছে।
- হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী, হৰিবৰ বিপ্ৰ আৰু মাধৱ কন্দলী— এই পাঁচগৰাকী কবিয়ে তেওঁলোকৰ ৰচনাৰাজিৰে প্ৰাক্-শংকৰী যুগটোক সমৃদ্ধ কৰি তুলিছে।
- হেম সৰস্বতীয়ে *প্ৰহ্লাদ চৰিত্ৰ*, *হৰগৌৰী সংবাদ*; কবিৰত্ন সৰস্বতীয়ে *জয়দ্ৰথ-বধ*; ৰুদ্ৰ কন্দলীয়ে *সাত্যকি-প্ৰৱেশ*; হৰিবৰ বিপ্ৰই *লৱ-কুশৰ যুদ্ধ, বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ*; মাধৱ কন্দলীয়ে *ৰামায়ণ* আৰু *দেৱজিত* নামৰ কাব্য ৰচনা কৰিছে।
- প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ভিতৰত মাধৱ কন্দলী শ্ৰেষ্ঠ কবি।

- মূলতঃ চতুৰ্দশ শতিকাৰ আৰম্ভণিৰপৰা পঞ্চদশ শতিকাৰ ভিতৰত প্ৰাক্-শংকৰী যুগৰ সাহিত্যসমূহ ৰচিত হৈছিল। এই যুগৰ কবিসকলৰ আদৰ্শতেই পৰৱৰ্তী যুগৰ কবিসকলে কাব্য ৰচনা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল।



৫.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৪) হাজৰিকা, বিশ্বেশ্বৰ (অনুবাদ, ২০০২); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ* (Banikanta Kakati: Assamese ঃ It's Formation and Development); গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।



৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) অশুদ্ধ ঘ) শুদ্ধ ঙ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) দুৰ্লভ নাৰায়ণৰ খ) *মহাভাৰতৰ* পৰা গ) কবিৰত্ন সৰস্বতী ঘ) ৰুদ্ৰ কন্দলী ঙ) যুদ্ধৰ বিৱৰণৰ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (i) (ক) (ii) (ক)

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কাব্যকেইখনৰ মাজেদি ডেকাশক্তিৰ প্ৰশস্তি ৰণিত হৈছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মহামাণিক্যৰ খ) ৫ টা গ) পুৰণি

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱ কন্দলী অনূদিত *ৰামায়ণ*খনিত অসমীয়া লোকোক্তি, যোজনা-পটন্তৰ আদি বিশেষৰূপে ব্যৱহাৰ কৰি অসমীয়া মাটি-পানীৰে জীপ দিছে। উদাহৰণস্বৰূপে— "আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ।", "বৰশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি।" ইত্যাদি।

সেইদৰে, ঘৰুৱা উপমা -ৰূপক আদি অলংকাৰৰ প্ৰয়োগতো বৰ্ণনাবোৰ ৰসাল আৰু মনোগ্ৰাহী হৈছে—

তাসম্বাৰ মাজে দেৱী সংসাৰত সাৰা।
মেঘে যেন ঢাকি অছে সৰ্বোত্তম তাৰা।।

এনেদৰেই অসমীয়া লোকজীৱনৰ পৰা বিবিধ উপাদান আহৰণ কৰি কবিৰাজ কন্দলীয়ে *ৰামায়ণ*খন অসমীয়া কৰিছে।



৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) *লৱ-কুশৰ যুদ্ধ* কাব্যখন কোনে ৰচনা কৰিছিল?

খ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবিগৰাকী কোন?

গ) প্ৰাক্-শংকৰী যুগটো মূলতঃ কি সাহিত্যৰ যুগ?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক—

(ক) ৰুদ্ৰ কন্দলী (খ) মহামাণিক্য (গ) *ৰত্নবাহনৰ যুদ্ধ*

(ঘ) *দেৱজিত* (ঙ) *জয়দ্ৰথ-বধ*

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাক্-শংকৰী যুগত ৰচিত সাহিত্যৰাজিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ মাধৱ কন্দলী কোন যুগৰ কবি? তেওঁৰ সাহিত্য কৃতিৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ হৰিবৰ বিপ্ৰই ৰচনা কৰা যিকোনো এখন কাব্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ *প্ৰহ্লাদ-চৰিত্ৰ* কাব্যখনিৰ কাহিনীটো চমুকৈ বৰ্ণনা কৰক।

*** ***** ***